**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 21-03-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

----------------------------

## *Headlines*

১। বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছতে সামাজিক মাধ্যমৰ জৰিয়তে চলা প্ৰচাৰ আৰু ভুৱা বাতৰি ৰোধ কৰিবলৈ নিৰ্বাচন আয়োগৰ বিশেষ তৎপৰতা।

২। ৰাজ্যজুৰি আজি উলহ মালহেৰে ঈদ-উল-ফিটৰ পালন। ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ দেশবাসীলৈ ঈদৰ শুভেচ্ছা।

৩। ডিব্ৰুগড় জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত অসম বিধানসভা নিৰ্বাচন, ২০২৬ ক কেন্দ্ৰ কৰি গুৰুত্বপূৰ্ণ বৈঠক।

**আৰু**

৪। অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কলিতাক ভাৰতীয় বক্সিং ফেডাৰেচনৰ উপদেষ্টা হিচাপে নিযুক্তি।

০০০০০০০

অহা ৯ এপ্ৰিলত অসমত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পাছতে ভাৰতীয় নিৰ্বাচন আয়োগে নিৰ্বাচনী প্ৰচাৰৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। বিশেষকৈ সামাজিক মাধ্যমৰ জৰিয়তে চলা প্ৰচাৰ আৰু ভুৱা বাতৰি ৰোধ কৰিবলৈ নিৰ্বাচন আয়োগে বিশেষ তৎপৰতা প্ৰদৰ্শন কৰিছে। আয়োগে স্পষ্ট কৰি দিছে যে কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে টি ভি, ৰেডিঅ', ই-পেপাৰ, বাল্ক এছ এম এছ আৰু কোনো সামাজিক মাধ্যমৰ জৰিয়তে বিজ্ঞাপন প্ৰকাশ কৰাৰ পূৰ্বে মিডিয়া চাৰ্টিফিকেচন এণ্ড মণিটৰিং কমিটী- এম চি এম চিৰ পৰা আগতীয়াকৈ অনুমতি লোৱাটো বাধ্যতামূলক। এই নিৰ্দেশ উলংঘা কৰিলে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও জানিবলৈ দিয়া হৈছে। বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰতিগৰাকী প্ৰাৰ্থীয়ে এতিয়াৰেপৰা মনোনয়ন দাখিল কৰাৰ সময়ত তেওঁলোকৰ ব্যৱহৃত প্ৰতিটো সামাজিক মাধ্যমৰ একাউণ্টৰ সঠিক তথ্য শপতনামাত উল্লেখ কৰিব লাগিব। প্ৰাৰ্থীসকলৰ অনলাইন কাৰ্যকলাপৰ ওপৰত নজৰ ৰখা আৰু ভুৱা প্ৰচাৰ বন্ধ কৰাৰ বাবে নিৰ্বাচন আয়োগে এই ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনৰ সময়ত সামাজিক মাধ্যমত বিয়পি পৰা ভুৱা বাতৰি আৰু পেইড নিউজ ৰোধ কৰিবলৈ জিলা পৰ্যায়ত এম চি এম চি এই ২৪ ঘণ্টা চকু ৰাখিব।

০০০০০০০

ৰাজ্যজুৰি আজি পৱিত্ৰ ঈদ-উল-ফিটৰ উলহ মালহেৰে পালন কৰা হৈছে। মাহ জোৰা উপবাসৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে ঈদ-উল-ফিটৰ পালন কৰিছে। ঈদ উপলক্ষে আজি ঈদগাহ আৰু মছজিদসমূহত পৱিত্ৰ নামাজ অনুষ্ঠিত হৈছে। গুৱাহাটীৰ গাড়ীগাঁও ঈদগাহ ময়দান, জালুকাৰী, মাছখোৱা, ইছলামপুৰ, হাতীগাঁও-শিজুবাৰী ইদগাহ, পাঞ্জাবাৰী, দক্ষিণগাঁৱকে ধৰি বিভিন্ন ঈদগাহ-মছজিদসমূহত নামাজ অনুষ্ঠিত হৈছে। নৱগিৰি জামে মছজিদতো পুৱা ৯ বজাত ঈদ-উল-ফিটৰৰ সমূহীয়া নামাজ অনুষ্ঠিত হয়। গোৱালপাৰা জিলাৰো বিভিন্ন স্থানত পুৱাৰে পৰা ঈদৰ সমূহীয়া নামাজ অনুষ্ঠিত হৈছে। শিলচৰ চহৰৰ মূল

ঈদগাহ, ইটখোলা ঈদগাহতো সমূহীয়া নামাজৰ আয়োজন কৰা হৈছে। বৰপেটা জিলাৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলে আজি উলহ-মালহেৰে ঈদ-উল-ফিতৰ উদযাপন কৰিছে। প্ৰতিকূল বতৰৰ মাজতো ঈদগাহ ময়দানসমূহত সমূহীয়া নামাজ পঢ়িবলৈ লোকসকল ওলাই আহিছে। এই নামাজৰ জৰিয়তে বিশ্ব শান্তি আৰু সমাজৰ সকলো লোকৰ মাজত একতা আৰু ভাতৃত্ব বোধৰ বান্ধোন অধিক সুদৃঢ় হোৱাৰ বাবে প্ৰাৰ্থনা কৰা হয়।

ঈদক লৈ চহৰখনত বিৰাজ কৰা পৰিৱেশ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা আঁখীৰাণী দাস–

(বাইট)

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সমগ্ৰ দেশৱাসীক ঈদ-উল-ফিটৰৰ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱে আত্মনিয়ন্ত্ৰণ, সেৱা আৰু দৰিদ্ৰ তথা অৱহেলিত লোকসকলৰ প্ৰতি সহানুভূতিৰ বাৰ্তা প্ৰেৰণ কৰে। এই উৎসৱে প্ৰেম, ভাতৃত্ব আৰু শান্তিৰ বাৰ্তাও প্ৰেৰণ কৰে বুলি তেওঁ কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ জৰিয়তে দেশৰ মুছলিম ধৰ্মাৱলম্বী লোকসকলক ঈদ-উল-ফিটৰৰ শুভেচ্ছা জ্ঞাপন কৰিছে। তেওঁ কয়, যে এই উৎসৱে দেশৰ জনসাধাৰণৰ মাজত প্ৰেম আৰু ভাতৃত্ববোধৰ ভাৱৰ সঞ্চাৰ কৰিব।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাইয়ো ঈদ-উল-ফিটৰ উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত শ্ৰীবিৰলাই এই পৱিত্ৰ উৎসৱে সকলোৰে বাবে সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মায়ো ৰাজ্যবাসীলৈ  ঈদৰ শুভেচ্ছা জনাইছে।

০০০০০০০

ডিব্ৰুগড় জিলা বিজেপিৰ মুখ্য কাৰ্যালয়ত কালি সন্ধিয়া অসম বিধানসভা নিৰ্বাচন, ২০২৬ ক কেন্দ্ৰ কৰি এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত দলীয় সংগঠন অধিক শক্তিশালী কৰি জনসাধাৰণৰ আস্থা অধিক দৃঢ় কৰাৰ লক্ষ্যৰে অনাগত দিনসমূহত ঐক্যবদ্ধভাৱে কাম কৰি যোৱাৰ সংকল্প গ্ৰহণ কৰা হয় আৰু ডিব্ৰুগড় জিলাৰ অন্তৰ্গত বিধানসভা সমষ্টিসমূহৰ সাংগঠনিক দিশ অধিক শক্তিশালী কৰাৰ ওপৰত ৰাজ্যিক প্ৰভাৰী হৰিশ ত্ৰিবেদীয়ে বক্তব্য প্ৰদান কৰে। এই বৈঠকত ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰভাৰী বিজয় বাঘেল, ছটা সমষ্টিৰ প্ৰভাৰী কাৰ্যকৰ্তা, বিস্তাৰকসকলৰ লগতে ডিব্ৰুগড় জিলা সভাপতি দুলাল বৰা আৰু অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে কালি বিজেপিকে ধৰি কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, অসম গণ পৰিষদ, ইউ পি পি এল, বি পি এফকে ধৰি কেইবাটাও ৰাজনৈতিক দলৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

ৰাজ্যখনৰ প্ৰায় আটাইকেইখন জিলাৰ কেইবাটাও সমষ্টিত কালি ১০৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। এতিয়ালৈকে ১১৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। কালি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ প্ৰাৰ্থী হিচাপে কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জালুকবাৰী সমষ্টিৰ প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰাৰ লগতে, জাগীৰোড সমষ্টিৰ বাবে মন্ত্ৰী পীযুষ হাজৰিকাই মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। বিৰোধী দলপতি তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা দেৱব্ৰত

শইকীয়াই নাজিৰা সমষ্টিৰ বাবে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত, ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে শিৱসাগৰ সমষ্টিৰ বাবে শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে খোৱাং সমষ্টিৰ বাবে ডিব্ৰুগড় জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

আনহাতে, কালিৰ দিনটোতে ৰাইজৰ দলৰ জ্ঞানশ্ৰী বৰাই মৰিয়নি সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰে। ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত টিংখাং বিধানসভা সমষ্টিৰ প্ৰাৰ্থী বিপুল গগৈ, নাহৰকটীয়া বিধানসভা সমষ্টিৰ প্ৰাৰ্থী প্ৰণতি ফুকন, দুলীয়াজান বিধানসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ধ্ৰুৱজ্যোতি গগৈ, চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰ, ডিব্ৰুগড় সদৰ সমষ্টিৰ বিৰোধী ঐক্যৰ উমৈহতীয়া প্ৰাৰ্থী মৈনাক পাত্ৰই কালিৰ দিনটোতে মনোনয়ন পত্ৰ দাখিল কৰে। একেদৰে শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ ৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ঢেকিয়াজুলিৰ বিজেপি প্ৰাৰ্থী অশোক সিংহল, বৰছলাৰ বিজেপি প্ৰাৰ্থী ঋতুবৰণ শৰ্মা, ৰঙাপৰাৰ বিজেপি প্ৰাৰ্থী কৃষ্ণকমল তাঁতী, নদুৱাৰৰ বিজেপি প্ৰাৰ্থী পদ্ম হাজৰিকা, বৰছলাৰ কংগ্ৰেছ প্ৰাৰ্থী ৰিপুণ বৰা, এছ ইউ চি আইৰ চম্পা কুৰ্মী আৰু তেজপুৰৰ এছ ইউ চি আইৰ প্ৰাৰ্থী নয়নমণি চৌধুৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। কং গ্ৰেছ দলে আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে নতুনকৈ ৭জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বিশ্বনাথ সমষ্টিত জয়ন্ত বৰা, জালুকবাৰীৰ পৰা বিদিশা নেওগ, হাইলাকান্দিৰ পৰা ৰাহুল ৰয়ক প্ৰাৰ্থীত্ব প্ৰদান কৰা হৈছে। আনহাতে, ১১খন আসন ৰাইজৰ দলৰ বাবে এৰি দিয়া হৈছে।

উল্লেখযোগ্য যে অহা ২৩ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন।

০০০০০০০

অসমৰ মুখ্য সচিব ড° ৰবি কোটাই কালি নলবাৰী জিলাৰ নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। নলবাৰী জিলা আয়ুক্তৰ সভাকক্ষত আয়োজিত এখন পৰ্যালোচনা সভাত নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, জিলা আৰক্ষী অধীক্ষক বিবেকানন্দ দাসৰ সৈতে তেওঁ নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত আলোচনা কৰে। সভাত জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তসকলৰ লগতে নিৰ্বাচনৰ কামত জড়িত বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

ইফালে, অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত নলবাৰী জিলাৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া নিবেদন দাস পাটোৱাৰীয়ে জিলাখনৰ সকলো চৰকাৰী কাৰ্যালয়, বেংক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আদি দেওবাৰ আৰু অন্য চৰকাৰী বন্ধৰ দিনতো খোলা ৰখাৰ নিৰ্দেশ জাৰি কৰিছে। নিৰ্বাচনৰ কাম-কাজ অন্ত নপৰালৈকে এই নিৰ্দেশনা বাহাল থাকিব।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **অসম বিধানসভা নিৰ্বাচন-২০২৬** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত বিজেপিৰ মুখপাত্ৰ ৰঞ্জীৱ কুমাৰ শৰ্মা আৰু কংগ্ৰেছৰ মুখপাত্ৰ ৰূপক দাস অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানৰ আঁত ধৰিব অৰূপ কুমাৰ শৰ্মা আৰু অৰুণিমা গোস্বামীয়ে।

০০০০০০০

শেহতীয়াকৈ কিছুদিন বন্ধ হৈ থকা মাজুলীৰ কমলাবাৰী-নিমাতি ফেৰী সেৱা আজিৰেপৰা পুনৰ পুৰণি কমলাবাৰী ঘাটেৰে আৰম্ভ হৈছে। যাত্ৰীসকললৈ আভ্যন্তৰীণ জল পৰিবহণ বিভাগে অফলাইন-

অনলাইন দুয়োটা শিতানতে টিকটৰ সুবিধা প্ৰদান কৰাৰ লগতে প্ৰতি ডেৰ ঘণ্টাৰ মূৰে মূৰে ফেৰী সেৱা উপলব্ধ থাকিব।

০০০০০০০

অসম বক্সিং সন্থাৰ সম্পাদক হেমন্ত কলিতাক ভাৰতীয় বক্সিং ফেডাৰেচন বি এফ আইৰ উপদেষ্টা হিচাপে নিযুক্তি দিয়া হৈছে। কালি নতুন দিল্লীত বি এফ আইৰ সভাপতি অজয় সিঙে তেওঁক নিযুক্তি দিয়ে। কলিতাই এতিয়াৰে পৰা বক্সিং আৰু বি এফ আইৰ সভাপতিৰ লগত ঘনিষ্ঠভাৱে কাম কৰিব

০০০০০০০

ফ্ৰান্সত চলি থকা অৰ্লেন্স মাষ্টাৰ্ছৰ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ এখন ছেমি ফাইনেলত আজি সন্ধিয়া ভাৰতৰ তনভি শৰ্মা জাপানৰ ন'জ'মি অকুহাৰাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কালি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেল তনভিয়ে জাপানৰ নাটচুকি নিদাইৰাক ২১-১৪, ২১-১৪ গেমত পৰাস্ত কৰে। আন এখন চেমিফাইনেলত আজি সন্ধিয়া ৫ বজাত অসম সন্তান ঈষাৰাণী বৰুৱাই থাইলেণ্ডৰ পিটচামন অপাটনিপুথৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।  তেওঁ কোৱাৰ্টাৰ ফাইনেলত মালৱিকা বানছুড়ক ২১-৯, ১৫-৭ গেমত পৰাস্ত কৰি চেমি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

**সমাপ্ত**